যদি x আৰু y একেলগে বাঢ়ে বা টুটে, অৱকলজ $\frac{dy}{dx}$ ধনাত্মক। যদি x টুটিলে y বাঢ়ে বা x বাঢ়িলে y টুটে, তেনেহ'লে $\frac{dy}{dx}$ ঋণাত্মক।

মন্তব্য ঃ x-ৰ এটা ফলনৰ অৱকলজক x অৰ অৱকল সহগ (Differential Coefficient) বুলিও কোৱা হয়।অৱকল সহগ উলিওৱা পদ্ধতিক অৱকলন (Differentiation) বুলিও কোৱা হয়।

উদাহৰণ 1: $x = 2$ত $f(x) = 3x$ ফলনৰ অৱকলজ উলিয়াওক।

সমাধান ঃ $f'(a) = \lim_{h \to 0} \frac{f(a+h) - f(a)}{h}$

$$\therefore f'(2) = \lim_{h \to 0} \frac{f(2+h) - f(2)}{h}$$

$$= \lim_{h \to 0} \frac{3(2+h) - 3(2)}{h}$$

$$= \lim_{h \to 0} \frac{6 + 3h - 6}{h}$$

$$= \lim_{h \to 0} 3 = 3$$

$\therefore f(x) = 3x$ ফলনৰ $x = 2$ বিন্দুত অৱকলজ 3.

উদাহৰণ 2: যদি $f(x) = 2x^2 + 3x - 5$, সংজ্ঞাৰ সহায়ত দেখুৱাওক যে $f'(0) + 3f'(-1) = 0$.

সমাধান ঃ দিয়া আছে $f(x) = 2x^2 + 3x - 5$

এতিয়া $f'(0) = \lim_{h \to 0} \frac{f(o+h) - f(0)}{h}$

$$= \lim_{h \to 0} \frac{f(h) - f(0)}{h}$$

$$= \lim_{h \to 0} \frac{(3h^2 + 3h - 5) - (0 + 0 - 5)}{h}$$

$$= \lim_{h \to 0} \frac{h(3h+3)}{h}$$

$$= \lim_{h \to 0} (3h + 3) \qquad [\because h \neq 0 . \therefore h \to 0]$$

$$= 3$$

আকৌ, $f'(-1) = \lim_{h \to 0} \frac{f(-1+h) - f(-1)}{h}$

$$= \lim_{h \to 0} \frac{\{2(-1+h)^2 + 3(-1+h) - 5\} - \{2(-1)^2 + 3(-1) - 5\}}{h}$$

$$= \lim_{h \to 0} \frac{2 - 4h + 2h^2 - 3 + 3h - 5 - (2 - 3 - 5)}{h}$$

$$= \lim_{h \to 0} \frac{2h^2 - h}{h}$$

$$= \lim_{h \to 0} \frac{h(2h-1)}{h}$$

$$= \lim_{h \to 0} (2h - 1) = -1$$

$\therefore f'(0) + 3f'(-1) = 0$



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ সংজ্ঞাৰ সহায়ত, অধোলিখিতবোৰ উলিয়াওক।

a) $f'(2)$ যদি $f(x) = x^2 - 6x + 1$

b) $f'(0)$ যদি $f(x) = \cos x$ c) $f'(1)$ যদি $f(x) = e^x$

d) $f'(-1)$ যদি $f(x) = x + \frac{1}{x}$ e) $f'(x)$ যদি $f(x) = \sqrt{x+2}$

৪.৩.২ বাঁও আৰু সোঁ অৱকলজ

$x = a$ বিন্দুত এটা ফলন f বাঁও অৱকলনীয় যদি

$\lim_{h \to 0-0} \frac{f(a+h) - f(a)}{h}$ সসীমভাৱে স্থিত হয় আৰু ইয়াক $Lf'(a)$ৰে বুজোৱা হয়।

$x = a$ বিন্দুত এটা ফলন f সোঁ অৱকলনীয় যদি

$\lim_{h \to 0+0} \frac{f(a+h) - f(a)}{h}$ সসীমভাৱে স্থিত হয় আৰু ইয়াক $Rf'(a)$ৰে বুজোৱা হয়।

যদি $Lf'(a) = Rf'(a)$, $x = a$ত f অৱকলনীয় বুলি কোৱা হয় আৰু ইয়াক $f'(a)$ৰে বুজোৱা হয়।

টোকা ঃ যদি এটা ফলন এটা বিন্দুত অৱকলনীয় হয়, তেনেহ'লে ই সেই বিন্দুত অবিচ্ছিন্ন হয়। কিন্তু বিপৰীতটো সত্য নহয়।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: $x = 0$ আৰু $x = 1$ বিন্দুত তলৰ ফলনটোৰ অৱকলনীয়তা পৰীক্ষা কৰক।

$$f(x) = \begin{cases} -x, & x < 0 \\ x^2, & 0 \le x \le 1 \\ x^2 - x + 1, & x > 1 \end{cases}$$

সমাধান ঃ প্ৰদত্ত ফলনটো হ'ল $f(x) = \begin{cases} -x, & x < 0 \\ x^2, & 0 \le x \le 1 \\ x^2 - x + 1, & x > 1 \end{cases}$

$$Rf'(0) = \lim_{h \to 0+0} \frac{f(0+h) - f(0)}{h}$$

$$= \lim_{h \to 0} \frac{h^2 - 0}{h}$$

$$= \lim_{h \to 0} h = 0$$

$$Lf'(0) = \lim_{h \to 0-0} \frac{f(0+h) - f(0)}{h}$$

$$= \lim_{h \to 0} \frac{-h - 0}{h}$$

$$= \lim_{h \to 0} -1 = -1$$

$\therefore Rf'(0) \neq Lf'(0)$

$\therefore$ $x = 0$ বিন্দুত f অৱকলনীয় নহয়।

আকৌ, $Rf'(1) = \lim_{h \to 0+0} \frac{f(1+h) - f(1)}{h}$

$$= \lim_{h \to 0} \frac{(1+h)^2 - (1+h) + 1 - 1}{h}$$

$$= \lim_{h \to 0} \frac{1 + 2h + h^2 - 1 - h}{h}$$

$$= \lim_{h \to 0} \frac{h^2 + h}{h}$$

$$= \lim_{h \to 0} (h+1) = 1$$

$$Lf'(1) = \lim_{h \to 0-0} \frac{f(1+h)-f(1)}{h}$$

$$= \lim_{h \to 0} \frac{(1+h)^2-1}{h}$$

$$= \lim_{h \to 0} \frac{1+2h+h^2-1}{h}$$

$$= \lim_{h \to 0}(2+h)$$

$$= 2$$

$\therefore Rf'(1) \neq Lf'(1)$

$\therefore$ x = 1ত f অৱকলনীয় নহয়।

উদাহৰণ 2: যদি $f(x) = \begin{cases} x+a & \text{if } x \leq 1 \\ ax^2+1 & \text{if } x > 1 \end{cases}$

'a' নির্ণয় কৰক যাতে f ফলনটো x = 1 বিন্দুত অৱকলনীয় হয়।

সমাধান ঃ দিয়া আছে, $f(x) = \begin{cases} x+a & ; x \leq 1 \\ ax^2+1 & ; x > 1 \end{cases}$

$$Rf'(1) = \lim_{h \to 0+0} \frac{f(1+h)-f(1)}{h}$$

$$= \lim_{h \to 0} \frac{\{a(1+h)^2+1\}-(1+a)}{h}$$

$$= \lim_{h \to 0} \frac{a+2ah+ah^2+1-1-a}{h}$$

$$= \lim_{h \to 0} \frac{h(2a+ah)}{h}$$

$$= \lim_{h \to 0}(2a+ah) = 2a$$

আকৌ, $Lf'(1) = \lim_{h \to 0-0} \frac{f(1+h)-f(1)}{h}$

$$= \lim_{h \to 0} \frac{(1+h+a)-(1+a)}{h}$$

$$= \lim_{h \to 0} \frac{h}{h}$$

$$= 1$$

কিন্তু x = 1ত f(x) অৱকলনীয়।

$\therefore Rf'(1) = Lf'(1)$

$\Rightarrow 2a = 1$

$\Rightarrow a = \frac{1}{2}$

উদাহৰণ 3: যদি x = 1ত f অৱকলনীয়,

প্ৰমাণ কৰক যে $\lim_{x \to a} \frac{xf(a) - af(x)}{x - a} = f(a) - af'(a)$

সমাধান ঃ $\because$ x = 1ত f অৱকলনীয়।

$\therefore \lim_{h \to 0} \frac{f(a+h) - f(a)}{h} = f'(a)$ .....(1)

বাঁওপক্ষ = $\lim_{x \to a} \frac{xf(a) - af(x)}{x - a}$

$= \lim_{h \to 0} \frac{(a+h)f(a) - af(a+h)}{h}$ $\begin{bmatrix} \text{Let } h = x - a \\ \because x \to a \\ \therefore h \to 0 \end{bmatrix}$

$= \lim_{h \to 0} \frac{af(a) + hf(a) - af(a+h)}{h}$

$= \lim_{h \to 0} \frac{hf(a) - a\{f(a+h) - f(a)\}}{h}$

$= \lim_{h \to 0} \left[f(a) - a.\frac{f(a+h) - f(a)}{h} \right]$

$= f(a) - a \lim_{h \to 0} \frac{f(a+h) - f(a)}{h}$

$= f(a) - af'(a)$, (1)-ৰ সহায়ত

= সোঁপক্ষ

উদাহৰণ 4: ধৰা হ'ল $f(x) = \begin{cases} x\left(\frac{e^{\frac{1}{x}} - e^{-\frac{1}{x}}}{e^{\frac{1}{x}} + e^{-\frac{1}{x}}}\right) & ; x \neq 0 \\ 0 & ; x = 0 \end{cases}$

দেখুওৱাক যে ফলনটো x = 0ত অবিচ্ছিন্ন, কিন্তু অৱকলনীয় নহয়।

সমাধান ঃ দিয়া আছে $f(x)=\begin{cases}\dfrac{x\left(e^{\frac{1}{x}}-e^{-\frac{1}{x}}\right)}{e^{\frac{1}{x}}+e^{-\frac{1}{x}}} ; x\neq 0\\ 0 \quad ; x=0\end{cases}$

x = 0ত অবিচ্ছিন্নতা।

$$\lim_{x\to 0+0} f(x)=\lim_{x\to 0+0}\frac{x\left(e^{\frac{1}{x}}-e^{-\frac{1}{x}}\right)}{e^{\frac{1}{x}}+e^{-\frac{1}{x}}}$$

$$=\lim_{x\to 0+0}\frac{x\left(1-e^{-\frac{2}{x}}\right)}{1+e^{-\frac{2}{x}}}$$

$$=\frac{0(1-0)}{1+0}=0 \qquad \left[\because x\to 0+0,\ \therefore e^{-\frac{2}{x}}\to 0\right]$$

আকৌ $\lim_{x\to 0-0} f(x)=\lim_{x\to 0-0}\frac{x\left(e^{\frac{1}{x}}-e^{-\frac{1}{x}}\right)}{e^{\frac{1}{x}}+e^{-\frac{1}{x}}}$

$$=\lim_{x\to 0-0}\frac{x\left(e^{\frac{2}{x}}-1\right)}{e^{\frac{2}{x}}+1}$$

$$=\frac{0(0-1)}{0+1}$$

$$=0$$

আকৌ, f (0) = 0 (দিয়া আছে)

$$\therefore \lim_{x\to 0+0} f(x)=\lim_{x\to 0-0} f(x)=f(0)$$

$\therefore$ x = 0ত f অৱকলনীয়।

x = 0ত অৱকলনীয়তা।

$$Rf'(0)=\lim_{h\to 0+0}\frac{f(0+h)-f(0)}{h}$$

$$= \lim_{h \to 0} \frac{1}{h} \left[\frac{h\left(e^{\frac{1}{h}} - e^{-\frac{1}{h}} \right)}{e^{\frac{1}{h}} + e^{-\frac{1}{h}}} - 0 \right]$$

$$= \lim_{h \to 0} \frac{1 - e^{-\frac{2}{h}}}{1 + e^{-\frac{2}{h}}}$$

$$= \frac{1-0}{1+0}$$

$$= 1$$

$$Lf'(0) = \lim_{h \to 0-0} \frac{f(0+h) - f(0)}{h}$$

$$= \lim_{h \to 0-0} \frac{1}{h} \left[\frac{h\left(e^{\frac{1}{h}} - e^{-\frac{1}{h}} \right)}{e^{\frac{1}{h}} + e^{-\frac{1}{h}}} - 0 \right]$$

$$= \lim_{h \to 0-0} \frac{\left(e^{\frac{2}{h}} - 1 \right)}{\left(e^{\frac{2}{h}} + 1 \right)}$$

$$= \frac{0-1}{0+1}$$

$$= -1$$

$\therefore Rf'(0) \neq Lf'(0)$

$\therefore$ x = 0ত f অৱকলনীয় নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২ ঃ দেখুওৱাক যে $f(x) = \begin{cases} xe^{-\left(\frac{1}{|x|} + \frac{1}{x}\right)} & ; x \neq 0 \\ 0 & ; x = 0 \end{cases}$

x = 0 বিন্দুত অৱকলনীয় নহয়।

প্ৰশ্ন ৩ ঃ a আৰু b-ৰ মান নিৰ্ধাৰণ কৰক যাতে

$$f(x)=\begin{cases} x^2+3x+a; & x\le 0 \\ bx+c & ; x>0 \end{cases}$$ ফলনটো সকলো বিন্দুতে অৱকলনীয় হয়।

প্ৰশ্ন ৪ ঃ দেখুওৱাক যে $f(x)=\begin{cases}(x-a)\cos\left(\frac{1}{x-a}\right); & x\neq a \\ 0 ; & x=a\end{cases}$

ফলনটো x = a বিন্দুত অৱকলনীয় নহয়।



৪.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- যদি এটা ফলন x = a বিন্দুত অৱকলনীয় হয়, তেনেহ'লে ফলনটো বিন্দুটোত অবিচ্ছিন্ন।
- যদি এটা ফলন x = a বিন্দুত অবিচ্ছিন্ন নহয়, তেনেহ'লে ফলনটো সেই বিন্দুত অৱকলনীয় নহয়।
- $f'(a)=\lim_{h\to 0}\frac{f(a+h)-f(a)}{h}$
- $Rf'(a)=\lim_{h\to 0+0}\frac{f(a+h)-f(a)}{h}$

  $Lf'(a)=\lim_{h\to 0-0}\frac{f(a+h)-f(a)}{h}$

  $f'(a)$ স্থিত হয় যদিহে $Rf'(a)$ আৰু $Lf'(a)$ স্থিত আৰু সমান।



৪.৫ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ a) $f(x) = x^2 - 6x + 1$ দিয়া আছে।

$$f'(2)=\lim_{h\to 0}\frac{f(2+h)-f(2)}{h}$$

$$=\lim_{h\to 0}\frac{\{(2+h)^2-6(2+h)+1\}-(2^2-6\times 2+1)}{h}$$

$$=\lim_{h\to 0}\frac{4+4h+h^2-12-6h+1+7}{h}$$

$$=\lim_{h\to 0}\frac{h^2-2h}{h}$$

$$= \lim_{h\to 0} \frac{h(h-2)}{h}$$

$$= \lim_{h\to 0} (h-2)$$

$$= -2$$

b) $f(x) = \cos x$ দিয়া আছে।

$$f'(0) = \lim_{h\to 0} \frac{f(h)-f(0)}{h}$$

$$= \lim_{h\to 0} \frac{\cosh - \cos o}{h}$$

$$= \lim_{h\to 0} \frac{-(1-\cosh)}{h}$$

$$= \lim_{h\to 0} \frac{-(1-\cosh)(1+\cosh)}{h(1+\cosh)}$$

$$= \lim_{h\to 0} \frac{-\sin^2 h}{h(1+\cosh)}$$

$$= \lim_{h\to 0} \left[-\frac{\sinh}{h} \cdot \frac{\sinh}{h} \cdot \frac{h}{1+\cosh} \right]$$

$$= -1.1.\frac{0}{1+1}$$

$$= 0$$

c) $f(x) = e^x$ দিয়া আছে।

$$f'(1) = \lim_{h\to 0} \frac{f(1+h)-f(1)}{h}$$

$$= \lim_{h\to 0} \frac{e^{1+h} - e}{h}$$

$$= \lim_{h\to 0} \frac{e(e^h - 1)}{h}$$

$$= e. \lim_{h\to 0} \frac{e^h - 1}{h}$$

$$= e.1$$

$$= e$$

d) $f(x) = x + \frac{1}{x}$ দিয়া আছে।

$$f'(-1) = \lim_{h \to 0} \frac{f(-1+h) - f(-1)}{h}$$

$$= \lim_{h \to 0} \frac{\left(-1+h+\frac{1}{-1+h}\right) - \left(-1+\frac{1}{-1}\right)}{h}$$

$$= \lim_{h \to 0} \frac{(h-1)^2 + 1 + 2(h-1)}{h(h-1)}$$

$$= \lim_{h \to 0} \frac{h^2 - 2h + 1 + 1 + 2h - 2}{h(h-1)}$$

$$= \lim_{h \to 0} \frac{h^2}{h(h-1)}$$

$$= \lim_{h \to 0} \frac{h}{h-1}$$

$$= 0$$

e) $f(x) = \sqrt{x+2}$ দিয়া আছে।

$$f'(x) = \lim_{h \to 0} \frac{f(x+h) - f(x)}{h}$$

$$= \lim_{h \to 0} \frac{\sqrt{x+h+2} - \sqrt{x+2}}{h}$$

$$= \lim_{h \to 0} \frac{x+h+2-x-2}{h\left(\sqrt{x+h+2} + \sqrt{x+2}\right)}$$

$$= \lim_{h \to 0} \frac{h}{h\sqrt{x+h+2} + \sqrt{x+2}}$$

$$= \frac{1}{\sqrt{x+2} + \sqrt{x+2}}$$

$$= \frac{1}{2\sqrt{x+2}}$$

২নং প্ৰশ্নৰ উত্তৰ ঃ a) দিয়া আছে, $f(x)=\begin{cases} xe^{-\left(\frac{1}{|x|}+\frac{1}{x}\right)} & ; x\neq 0 \\ 0 & ; x=0 \end{cases}$

$$=\begin{cases} xe^{-\left(\frac{1}{x}+\frac{1}{x}\right)} & ; x>0 \\ xe^{-\left(-\frac{1}{x}+\frac{1}{x}\right)} & ; x<0 \\ 0 & ; x=0 \end{cases}$$

$$=\begin{cases} xe^{-\frac{2}{x}} & ; x>0 \\ x & ; x<0 \\ 0 & ; x=0 \end{cases}$$

এতিয়া, $Rf'(0)=\lim\limits_{h\to 0+0}\dfrac{f(0+h)-f(0)}{h}$

$$=\lim_{h\to 0+0}\frac{he^{-\frac{2}{h}}-0}{h}$$

$$=\lim_{h\to 0+0}e^{-\frac{2}{h}}$$

$$=0$$

আকৌ, $Lf'(0)=\lim\limits_{h\to 0-0}\dfrac{f(0+h)-f(0)}{h}$

$$=\lim_{h\to 0-0}\frac{h-0}{h}=1$$

$\therefore Rf'(0)\neq Lf'(0)$

$\therefore$ x = 0ত f অৱকলনীয় নহয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত ফলনটো হ'ল, $f(x)=\begin{cases} x^2+3x+a & ; x\leq 0 \\ bx+2 & ; x>0 \end{cases}$

$\therefore$ সকলো বিন্দুতে f অৱকলনীয়,

$\therefore$ x = 1ত f অবিচ্ছিন্ন আৰু অৱকলনীয়।

$$\therefore \lim_{x\to 1-0}f(x)=\lim_{x\to 1+0}f(x)=f(1)$$

$$\Rightarrow \lim_{x \to 1}(x^2+3x+a) = \lim_{x \to 1}(bx+2) = 1^2+3\times 1+a$$

$$\Rightarrow 1+3+a = b+2 = 1+3+a$$

$$\Rightarrow 4 + a = b + 2$$

$$\Rightarrow a = b - 2 \qquad \text{.....(1)}$$

আকৌ, $x = 1$ত f অৱকলনীয়।

$$\therefore Rf'(1) = Lf'(1)$$

$$\Rightarrow \lim_{h \to 0+0} \frac{f(1+h)-f(1)}{h} = \lim_{h \to 0-0} \frac{f(1+h)-f(1)}{h}$$

$$\Rightarrow \lim_{h \to 0+0} \frac{\{b(1+h)+2\}-\{1+3+a\}}{h} = \lim_{h \to 0-0} \frac{(1+h)^2-3(1+h)+a-\{1+3+a\}}{h}$$

$$\Rightarrow \lim_{h \to 0} \frac{b+bh+2-4-b+2}{h} = \lim_{h \to 0} \frac{1+2h-h^2+3+3h+a-4-a}{h}$$

$$\Rightarrow \lim_{h \to 0} \frac{bh}{h} = \lim_{h \to 0} \frac{h_2+5h}{h}$$

$$\Rightarrow \lim_{h \to 0} b = \lim_{h \to 0}(h+5)$$

$$\therefore b = 5 \qquad \therefore a = 3$$

8নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x) = \begin{cases} (x-a)\cos\left(\frac{1}{x-a}\right) & ; x \neq a \\ 0 & ; x = a \end{cases}$

$$f'(a) = \lim_{h \to 0} \frac{f(a+h)-f(a)}{h}$$

$$= \lim_{h \to 0} \frac{(a+h-a)\cos\left(\frac{1}{a+h-a}\right)-0}{h}$$

$$= \lim_{h \to 0} \frac{h\cos\frac{1}{h}}{h}$$

$$= \lim_{h \to 0} \cos\frac{1}{h}$$, যিটো স্থিত নহয়।



৪.৬ অধিক জানিবলৈ

1) Gupta, Sudhir (2011) (1st edition): *Basics of Differentential Calculus*; New Delhi: Anmol publication Pvt. Ltd.
2) Habib, Amber (2011) (1st edition): *The Calculus of Finance*; Hyderabad: Universities Press India Pvt. Ltd.
3) Maron, I. A. (1993) (1st edition): *Problems in Calculus of One Variable*; New Delhi: CBS Publishers & Distributors Pvt. Ltd.
4) Sharma, A. K. (2004) (1st edition): *Text Book of Differential Calculus for B.A., B.Sc., B.Com., I.A.S., P.C.S.*; New Delhi: Discovery Publishing House.



৪.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ যদি এটা ফলন এটা বিন্দুত অৱকলনীয় হয়, তেনেহ'লে প্ৰমাণ কৰক যে ফলনটো সেই বিন্দুত অবিচ্ছিন্ন।

প্ৰশ্ন ২ ঃ যদি $f(x) = 5x - 4$ যদি $0 < x \le 1$

$= 4x^3 - 3$ যদি $1 < x < 2$

$= 3x + 4$ যদি $x \ge 2$

x = 1 আৰু x = 2ত ফলনটোৰ অবিচ্ছিন্নতা আৰু অৱকলনীয়তা আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ যদি $f(x) = \frac{x^2}{a} - a$ যদি $0 < x < a$

$= a$ যদি $x = a$

$= a - \frac{x^2}{a}$ যদি $x > a$

x = 0ত ফলনটোৰ অবিচ্ছিন্নতা আৰু অৱকলনীয়তা পৰীক্ষা কৰক।

প্ৰশ্ন ৪ ঃ যদি $\psi(x) = x^2 \cos\frac{1}{x}$, $x \neq 0 = 0$, $x = 0$, তেন্তে দেখুওৱাক যে x = 0ত ψ ফলনটো অবিচ্ছিন্ন আৰু অৱকলনীয় হ'ব।

প্ৰশ্ন ৫ ঃ দেখুওৱাক যে x = 0 আৰু x = 1 বিন্দুত f(x) = |x|+|x–1| ফলনটো অবিচ্ছিন্ন, কিন্তু অৱকলনীয় নহয়।

*** ***** ***

অধ্যায় ৫ ঃ ফলনৰ অৱকলজ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ফলনৰ অৱকলজৰ জ্যামিতীয় ব্যাখ্যা
৫.৪ বিভিন্ন প্ৰামাণিক ফলনৰ অৱকলজ
৫.৫ ফলনৰ যোগ আৰু অন্তৰৰ অৱকলজ
৫.৬ ফলনৰ পূৰণফলৰ অৱকলজ আৰু ভাগফল বিধি
৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৫.৮ অগ্ৰগতিৰ খতিয়ান
৫.৯ অধিক জানিবলৈ
৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- $f'(x)$ বা $\frac{dy}{dx}$ -ৰ জ্যামিতীয় ব্যাখ্যা বুজি পাব
- বীজগণিতীয়, ত্ৰিকোণমিতীয়, সূচকীয় আৰু ঘাতাঙ্কীয় ফলনৰ অৱকলজ উলিয়াব পাৰিব।

৫.২ পৰিচয়

আমি ইতিমধ্যে চতুৰ্থ অধ্যায়ত অৱকলজৰ ধাৰণাৰ অৱতাৰণা কৰিছোঁ। এই অধ্যায়ত আমি কিছুমান প্ৰামাণিক ফলনৰ অৱকলজ উলিওৱাৰ লগতে অৱকলজৰ কিছু বীজগণিত সম্বন্ধে আলোচনা কৰিম। অৱকলজৰ ধাৰণা মূলতঃ স্বতন্ত্ৰ চলক সাপেক্ষে পৰতন্ত্ৰ চলকৰ পৰিৱৰ্তনৰ হাৰৰ লগত জড়িত।

৫.৩ অৱকলজৰ জ্যামিতীয় ব্যাখ্যা


ধৰা হ'ল, $y = f(x)$ এটা ফলন। ধৰা হ'ল, $y = f(x)$-ৰ লেখত $P[c, f(c)]$ আৰু $Q[c+h, f(c+h)]$ দুটা ওচৰা ওচৰি বিন্দু।

PQ জ্যাৰ প্ৰৱণতা $= \frac{f(c+h) - f(c)}{(c+h) - c}$

$= \frac{f(c+h)-f(c)}{h}$

যেতিয়া বক্ৰডালত $Q \to P$, PQ জ্যাডাল P বিন্দুত PT স্পৰ্শক হয়।

গতিকে যেতিয়া $Q \to P$ অৰ্থাৎ যেতিয়া $h \to 0$, PQ জ্যাডালৰ প্ৰৱণতা P বিন্দুত স্পৰ্শকৰ প্ৰৱণতা হয়।



$\therefore$ P বিন্দুত স্পৰ্শকৰ প্ৰৱণতা = $\lim_{h \to 0} \frac{f(c+h)-f(c)}{h} = f'(c)$ (সংজ্ঞামতে)

আকৌ যদি স্পৰ্শকডালে x-অক্ষৰ লগত θ কোণ কৰে, তেনেহ'লে P বিন্দুত স্পৰ্শকৰ প্ৰৱণতা = $\tan\theta$.

গতিকে, $f'(c) = \tan\theta = \lim_{h \to 0} \frac{f(c+h)-f(c)}{h}$

টোকা ঃ যদি স্পৰ্শক x-অক্ষৰ সমান্তৰাল হয়, $f'(c) = 0$.

৫.৪ বিভিন্ন প্ৰামাণিক ফলনৰ অৱকলজ

1) $\frac{d}{dx}(k) = 0$, k যিকোনো ধ্ৰুৱক

2) $\frac{d}{dx}(x) = 1$

3) $\frac{d}{dx}(x^n) = nx^{n-1}$

4) $\frac{d}{dx}(e^x) = e^x$

5) $\frac{d}{dx}(\log_e x) = \frac{1}{x}$

6) $\frac{d}{dx}(a^x) = a^x \log_e a$

7) $\frac{d}{dx}(\sin x) = \cos x$

8) $\frac{d}{dx}(\cos x) = -\sin x$

9) $\frac{d}{dx}(\tan x) = \sec^2 x$

10) $\frac{d}{dx}(\cot x) = -\operatorname{cosec}^2 x$

11) $\frac{d}{dx}(\sec x) = \sec x \tan x$

12) $\frac{d}{dx}(\operatorname{cosec} x) = -\operatorname{cosec} x . \cot x$

13) $\frac{d}{dx}(\sin^{-1}x) = \frac{1}{\sqrt{1-x^2}}$; $-1<x<1$

14) $\frac{d}{dx}(\cos^{-1}x) = \frac{-1}{\sqrt{1-x^2}}$; $-1<x<1$

15) $\frac{d}{dx}(\tan^{-1}x) = \frac{1}{1+x^2}$; $x \in R$

16) $\frac{d}{dx}(\cot^{-1}x) = \frac{-1}{1+x^2}$; $x \in R$

17) $\frac{d}{dx}(\sec^{-1}x) = \frac{1}{|x|\sqrt{x^2-1}}$; $|x| > 1$

18) $\frac{d}{dx}(\operatorname{cosec}^{-1}x) = \frac{-1}{|x|\sqrt{x^2-1}}$; $|x| > 1$

প্রমাণ ঃ

1) ধৰা হ'ল, $y = f(x) = k$

$\therefore\ f(x+h) = k$

সংজ্ঞামতে, $\dfrac{dy}{dx} = \lim\limits_{h \to 0} \dfrac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(k) = \lim_{h \to 0} \frac{k-k}{h} = 0$$

2) ধৰা হ'ল, $y = f(x) = x$

$\therefore\ f(x+h) = x + h$

সংজ্ঞামতে, $\dfrac{dy}{dx} = \lim\limits_{h \to 0} \dfrac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(x) = \lim_{h \to 0} \frac{x+h-x}{h} = \lim_{h \to 0} 1 = 1$$

3) ধৰা হ'ল, $y = f(x) = x^n$

$\therefore\ f(x+h) = (x+h)^n$

সংজ্ঞামতে, $\dfrac{dy}{dx} = \lim\limits_{h \to 0} \dfrac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}\left(x^n\right) = \lim_{h \to 0} \frac{(x+h)^n - x^n}{h}$$

প্রথম ক্ষেত্র ঃ ধৰা হ'ল, n এটা ধনাত্মক অখণ্ড সংখ্যা।

$$\lim_{h \to 0} \frac{(x+h)^n - x^n}{h} = \lim_{h \to 0} \frac{\left(x^n + {}^nc_1 x^{n-1}h + {}^nc_2 x^{n-2}h^2 + ... + h^n\right) - x^n}{h}$$

$$= \lim_{h \to 0} \left({}^nc_1 x^{n-1} + {}^nc_2 x^{n-2}h + ... + h^{n-1} \right)$$

$= {}^nc_1\, x^{n-1}$

$= nx^{n-1}$

দ্বিতীয় ক্ষেত্র ঃ ধৰা হ'ল, n এটা ঋণাত্মক অখণ্ড সংখ্যা বা ভগ্নাংশ।

$$\lim_{h \to 0} \frac{(x+h)^n - x^n}{h} = \lim_{h \to 0} \frac{x^n\left(1+\dfrac{h}{x}\right)^n - x^n}{h}$$

$$= \lim_{h \to 0} \frac{1}{h}\left[x^n \left\{ 1 + n.\frac{h}{x} + \frac{n(n-1)}{2!}\left(\frac{h}{x}\right)^2 + ...\infty \right\} - x^n \right]$$

$$= \lim_{h\to 0}\left[x^n\left\{n.\frac{1}{x}+\frac{n(n-1)}{2!}.\frac{h}{x^2}+...\infty\right\}\right]$$

$$= x^n.n.\frac{1}{x} = nx^{n-1}$$

$\therefore$ সকলো পৰিমেয় n-ৰ বাবে $\frac{d}{dx}\left(x^n\right) = nx^{n-1}$

4) ধৰা হ'ল, $y = f(x) = e^x$

$\therefore\ f(x+h) = e^{x+h}$

সংজ্ঞামতে, $\frac{dy}{dx} = \lim_{h\to 0}\frac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}\left(e^x\right) = \lim_{h\to 0}\frac{e^{x+h}-e^x}{h}$$

$$= \lim_{h\to 0}\frac{e^x.e^h-e^x}{h}$$

$$= e^x\lim_{h\to 0}\frac{e^h-1}{h}$$

$$= e^x.1 = e^x$$

5) ধৰা হ'ল, $y = f(x) = \log_e x$

$\therefore\ f(x+h) = \log_e(x+h)$

সংজ্ঞামতে, $\frac{dy}{dx} = \lim_{h\to 0}\frac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}\left(\log_e x\right) = \lim_{h\to 0}\frac{\log_e(x+h)-\log_e x}{h}$$

$$= \lim_{h\to 0}\frac{1}{h}\log_e\left(\frac{x+h}{x}\right)$$

$$= \lim_{h\to 0}\frac{1}{h}\log\left(1+\frac{h}{x}\right)$$

$$= \lim_{h\to 0}\frac{1}{h}\left[\frac{h}{x}-\frac{h^2}{2x^2}+\frac{h^3}{3x^3}....\infty\right]$$

$$= \lim_{h\to 0}\left[\frac{1}{x}-\frac{h}{2x^2}+\frac{h^2}{3x^3}...\infty\right]$$

$$= \frac{1}{x}$$

6) ধৰা হ'ল, $y = f(x) = a^x$

$\therefore\ f(x+h) = a^{x+h}$

সংজ্ঞামতে, $\dfrac{dy}{dx} = \lim\limits_{h\to 0} \dfrac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}\left(a^x\right) = \lim_{h\to 0} \frac{a^x.a^h - a^x}{h}$$

$$= a^x \lim_{h\to 0} \frac{a^h - 1}{h}$$

$$= a^x \log_e a$$

7) ধৰা হ'ল, $y = f(x) = \sin x$

$\therefore\ f(x+h) = \sin(x+h)$

সংজ্ঞামতে, $\dfrac{dy}{dx} = \lim\limits_{h\to 0} \dfrac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(\sin x) = \lim_{h\to 0} \frac{\sin(x+h)-\sin x}{h}$$

$$= \lim_{h\to 0} \frac{2\cos\ \frac{x+h+x}{2}\ \sin\frac{x+h-x}{2}}{h}$$

$$= \lim_{h\to 0} \left[2\cos\left(x+\frac{h}{2}\right).\frac{\sin\frac{h}{2}}{h}\right]$$

$$= \lim_{h\to 0} .2\cos\left(x+\frac{x}{2}\right) \lim_{h\to 0} \frac{\sin\frac{h}{2}}{\frac{h}{2}}$$

$$= \cos x.1 = \cos x$$

8) ধৰা হ'ল, $y = f(x) = \cos x$

$\therefore\ f(x+h) = \cos(x+h)$

সংজ্ঞামতে, $\dfrac{dy}{dx} = \lim\limits_{h\to 0} \dfrac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(\cos x) = \lim_{h\to 0} \frac{\cos(x+h)-\cos x}{h}$$

$$= \lim_{h\to 0} \frac{-2\sin\frac{x+h+x}{2}\sin\frac{x+h-x}{2}}{h}$$

$$= \lim_{h\to 0}\left[-2\sin\left(x+\frac{h}{2}\right)\frac{\sin\frac{h}{2}}{h}\right]$$

$$= \left(\lim_{h\to 0} -\sin\left(x+\frac{h}{2}\right)\right).\left(\lim_{h\to 0}\frac{\sin\frac{h}{2}}{\frac{h}{2}}\right)$$

$$= -\sin x.$$

9) ধৰা হ'ল, $y = f(x) = \tan x$

$\therefore f(x+h) = \tan(x+h)$

সংজ্ঞামতে, $\frac{dy}{dx} = \lim_{h\to 0}\frac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(\tan x) = \lim_{h\to 0}\frac{\tan(x+h)-\tan x}{h}$$

$$= \lim_{h\to 0}\frac{1}{h}\left[\frac{\sin(x+h)}{\cos(x+h)}-\frac{\sin x}{\cos x}\right]$$

$$= \lim_{h\to 0}\frac{\sin(x+h)\cos x-\cos(x+h)\sin x}{h\cos(x+h)\cos x}$$

$$= \lim_{h\to 0}\frac{\sin(x+h-x)}{h\cos(x+h)\cos x}$$

$$= \left(\lim_{h\to 0}\frac{\sin h}{h}\right).\left(\lim_{h\to 0}\frac{1}{\cos(x+h)\cos x}\right)$$

$$= 1.\frac{1}{\cos x.\cos x}$$

$$= \sec^2 x$$

10) ধৰা হ'ল, $y = f(x) = \cot x$

$\therefore f(x+h) = \cot(x+h)$

সংজ্ঞামতে, $\frac{dy}{dx} = \lim_{h\to 0}\frac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(\cot x) = \lim_{h\to 0}\frac{\cot(x+h)-\cot x}{h}$$

$$= \lim_{h\to 0} \frac{1}{h}\left[\frac{\cos(x+h)}{\sin(x+h)} - \frac{\cos x}{\sin x}\right]$$

$$= \lim_{h\to 0} \frac{\sin x\cos(x+h) - \cos x\sin(x+h)}{h\sin(x+h)\sin x}$$

$$= \lim_{h\to 0} \frac{\sin\{x-(x+h)\}}{h\sin(x+h)\sin x}$$

$$= \lim_{h\to 0} \frac{\sin(-h)}{h\sin(x+h)\sin x}$$

$$= -\left(\lim_{h\to 0}\frac{\sin h}{h}\right).\left(\lim_{h\to 0}\frac{1}{\sin(x+h).\sin x}\right)$$

$$= -1.\frac{1}{\sin x.\sin x} = -\operatorname{cosec}^2 x$$

11) ধৰা হ'ল, $y = f(x) = \sec x$

$\therefore\ f(x+h) = \sec(x+h)$

সংজ্ঞামতে, $\frac{dy}{dx} = \lim_{h\to 0}\frac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(\sec x) = \lim_{h\to 0}\frac{\sec(x+h)-\sec x}{h}$$

$$= \lim_{h\to 0}\frac{1}{h}\left[\frac{1}{\cos(x+h)} - \frac{1}{\cos x}\right]$$

$$= \lim_{h\to 0}\frac{1}{h}.\frac{\cos x - \cos(x+h)}{\cos(x+h)\cos x}$$

$$= \lim_{h\to 0}\frac{1}{h}.\frac{2\sin\frac{x+x+h}{2}\sin\frac{x+h-x}{2}}{\cos(x+h)\cos x}$$

$$= \lim_{h\to 0}\left[\sin\left(x+\frac{h}{2}\right).\frac{\sin\frac{h}{2}}{\frac{h}{2}}.\frac{1}{\cos(x+h)\cos x}\right]$$

$$= \lim_{h\to 0}\sin\left(x+\frac{h}{2}\right).\lim_{h\to 0}\frac{\sin\frac{h}{2}}{\frac{h}{2}}.\frac{1}{\lim\{\cos(x+h).\cos x\}}$$

$$= \sin x.1.\frac{1}{\cos x.\cos x}$$

$$= \frac{1}{\cos x}.\frac{\sin x}{\cos x}$$

$$= \sec x.\ \tan x.$$

12) ধৰা হ'ল, $y = f(x) = \text{cosec } x$

$\therefore\ f(x+h) = \text{cosec } (x+h)$

সংজ্ঞামতে, $\quad \frac{dy}{dx} = \lim_{h\to 0} \frac{f(x+h)-f(x)}{h}$

$$\Rightarrow \frac{d}{dx}(\text{cosec } x) = \lim_{h\to 0} \frac{\text{cosec}(x+h)-\text{cosec } x}{h}$$

$$= \lim_{h\to 0} \frac{1}{h}\left[\frac{1}{\sin(x+h)} - \frac{1}{\sin x}\right]$$

$$= \lim_{h\to 0} \frac{\sin x - \sin(x+h)}{h.\sin(x+h)\sin x}$$

$$= \lim_{h\to 0} \frac{2\cos\frac{x+x+h}{2}\ \sin\frac{x-x-h}{2}}{h\sin(x+h)\ \sin x}$$

$$= \lim_{h\to 0} \left[\frac{2.\cos\left(x+\frac{h}{2}\right)\ \sin\left(-\frac{h}{2}\right)}{h\ \sin(x+h)\sin x}\right]$$

$$= \lim_{h\to 0} \left[-\frac{\cos\left(x+\frac{h}{2}\right)}{\sin(x+h).\sin x}.\frac{\sin\frac{h}{2}}{\frac{h}{2}}\right]$$

$$= -\lim_{h\to 0}\frac{\cos\left(x+\frac{h}{2}\right)}{\sin(x+h).\sin x}.\lim_{h\to 0}\frac{\sin\frac{h}{2}}{\frac{h}{2}}$$

$$= -\frac{\cos x}{\sin x.\sin x}.1 = -\text{cosec}x\ \text{cot}x$$

13) ধৰা হ'ল, $y = \sin^{-1}x$

$\therefore\ \text{siny} = x$

$$\therefore\ \frac{d}{dy}(\text{siny}) = \frac{d}{dy}(x)$$

$$\Rightarrow \cos y = \frac{dx}{dy}$$

$\Rightarrow \frac{dy}{dx} = \frac{1}{\cos y}$ যাতে $\cos y \neq 0$

$\Rightarrow \frac{d}{dx}(\sin^{-1}x) = \frac{1}{\sqrt{1-\sin^2 y}}$ $[\because \cos y > 0]$

$= \frac{1}{\sqrt{1-x^2}}$, $-1 < x < 1$

14) ধৰা হ'ল, $y = \cos^{-1}x$

$\therefore \cos y = x$

$\Rightarrow \frac{d}{dy}(\cos y) = \frac{d}{dy}(x)$

$\Rightarrow -\sin y = \frac{dx}{dy}$

$\Rightarrow \frac{dy}{dx} = \frac{-1}{\sin y}$ যাতে $\sin y \neq 0$

$\Rightarrow \frac{d}{dx}(\cos^{-1}x) = \frac{-1}{\sqrt{1-\cos^2 y}}$

$= \frac{-1}{\sqrt{1-x^2}}$, $-1 < x < 1$

15) ধৰা হ'ল, $y = \tan^{-1}x$

$\Rightarrow \tan y = x$

$\therefore \frac{d}{dy}(\tan y) = \frac{dx}{dy}$

$\Rightarrow \sec^2 y = \frac{dx}{dy}$

$\Rightarrow \frac{dy}{dx} = \frac{1}{\sec^2 y}$ $[\sec y \neq 0]$

$\Rightarrow \frac{dy}{dx} = \frac{1}{1+\tan^2 y}$

$\Rightarrow \frac{d}{dx}(\tan^{-1}x) = \frac{1}{1+x^2}$; $x \in R$

16) ধৰা হ'ল, $y = \cot^{-1}x$

$\Rightarrow \cot y = x$

$\Rightarrow \frac{d}{dy}(\cot y) = \frac{d}{dy}(x)$

$$\Rightarrow -\operatorname{cosec}^2 y = \frac{dx}{dy}$$

$$\Rightarrow \frac{dy}{dx} = \frac{-1}{\operatorname{cosec}^2 y} \quad [\operatorname{cosec} y \neq 0]$$

$$\Rightarrow \frac{d}{dx}\left(\cot^{-1} x\right) = \frac{-1}{1+\cot^2 y} = \frac{-1}{1+x^2}, \; x \in R$$

17) ধৰা হ'ল, $y = \sec^{-1} x$

$$\Rightarrow \sec y = x$$

$$\therefore \frac{d}{dy}(\sec y) = \frac{d}{dy}(x)$$

$$\Rightarrow \sec y \tan y = \frac{dx}{dy}$$

$$\Rightarrow \frac{dy}{dx} = \frac{1}{\sec y \tan y}, \sec y \neq 0, \tan y \neq 0$$

$$\Rightarrow \frac{dy}{dx} = \frac{1}{\sec y\left(\pm\sqrt{\sec^2 y - 1}\right)}$$

$$\Rightarrow \frac{d}{dx}\left(\sec^{-1} x\right) = \frac{1}{\pm x\sqrt{x^2-1}}$$

$$= \begin{cases} \dfrac{1}{x\sqrt{x^2-1}} & \text{for } x > 1, \\ \dfrac{1}{-x\sqrt{x^2-1}} & \text{for } x < -1, \end{cases}$$

$$= \frac{1}{|x|\sqrt{x^2-1}} \; ; |x| > 1$$

18) ধৰা হ'ল, $y = \operatorname{cosec}^{-1} x$

$$\Rightarrow \operatorname{cosec} y = x$$

$$\therefore \frac{d}{dy}(\operatorname{cosec} y) = \frac{d}{dy}(x)$$

$$\Rightarrow -\operatorname{cosec} y \cot y = \frac{dx}{dy}$$

$$\Rightarrow \frac{dy}{dx} = \frac{-1}{\operatorname{cosec} y . \cot y}, \operatorname{cosec} y \neq 0, \cot y \neq 0$$

$$\Rightarrow \frac{dy}{dx} = \frac{-1}{\cos ecy\left(\pm\sqrt{\cos ec^2 y - 1}\right)}$$

$$\Rightarrow \frac{d}{dx}\left(\cos ec^{-1}x\right) = \frac{-1}{\pm x\sqrt{x^2-1}}$$

$$= \begin{cases} \frac{-1}{x\sqrt{x^2-1}} \text{ if } x > 1 \\ \frac{-1}{-x\sqrt{x^2-1}} \text{ if } x < -1 \end{cases}$$

$$= \frac{-1}{|x|\sqrt{x^2-1}};\ |x| > 1$$

৫.৫ ফলনৰ যোগ আৰু অন্তৰৰ অৱকলজ

উপপাদ্য ৫.৫.১: অন্তৰালত সংজ্ঞাৱদ্ধ f_1 আৰু f_2 দুটা অৱকলনীয় ফলন আৰু f হ'ল সিহঁতৰ যোগ ফলন, অর্থাৎ $f = f_1 + f_2$, তেনেহ'লে f অৱকলনীয় আৰু

$$\frac{d}{dx}f = \frac{d}{dx}f_1 + \frac{d}{dx}f_2$$

প্রমাণ ঃ ধৰা হ'ল, I অন্তৰালত x এটা বিন্দু আৰু x + h এটা ওচৰৰ বিন্দু।

তেনেহ'লে, $f(x) = f_1(x) + f_2(x)$

আৰু $f(x+h) = f_1(x+h) + f_2(x+h)$

$\therefore f(x+h)-f(x) = f_1(x+h) + f_2(x+h) - f_1(x) - f_2(x)$

$$\Rightarrow \frac{f(x+h)-f(x)}{h} = \frac{f_1(x+h)-f_1(x)}{h} + \frac{f_2(x+h)-f_2(x)}{h}$$

$$\lim_{h\to 0}\frac{f(x+h)-f(x)}{h} = \lim_{h\to 0}\frac{f_1(x+h)-f_1(x)}{h}\lim_{h\to 0}\frac{f_2(x+h)-f_2(x)}{h} \quad \text{.....(1)}$$

$\because$ (1)ত f_1 আৰু f_2 অৱকলনীয়।

$$\therefore \frac{df_1}{dx} = \lim_{h\to 0}\frac{f_1(x+h)-f_1(x)}{h}$$

আৰু $\frac{df_2}{dx} = \lim_{h\to 0}\frac{f_2(x+h)-f_2(x)}{h}$ স্থিত হয়।

$$\therefore (1) \Rightarrow \lim_{h\to 0}\frac{f(x+h)-f(x)}{h} = \frac{d}{dx}f_1(x) + \frac{d}{dx}f_2(x)$$

ইয়াৰ পৰা আমি দেখিলোঁ যে f অৱকলনীয়

আৰু $\frac{d}{dx}f(x) = \frac{d}{dx}f_1(x) + \frac{d}{dx}f_2(x)$

অর্থাৎ, $\frac{d}{dx}f = \frac{d}{dx}f_1 + \frac{d}{dx}f_2$

উপপাদ্য ৫.৫.২: I অন্তৰালত সংজ্ঞাৱদ্ধ f_1 আৰু f_2 দুটা অৱকলনীয় ফলন, আৰু f সিহঁতৰ অন্তৰ ফলন, অর্থাৎ $f = f_1 - f_2$ তেনেহ'লে f অৱকলনীয় আৰু

$$\frac{d}{dx}f = \frac{d}{dx}f_1 - \frac{d}{dx}f_2$$

প্রমাণ ঃ নিজে চেষ্টা কৰক।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: অৱকলজ উলিয়াওক (x সাপেক্ষে)

a) $x(1+x)^2$ b) $b\log_e x + x^3 + \sqrt{x}$

c) $4\log_{10} x$ d) $\sqrt[3]{1 + 3\log_a x + 3(\log_a x)^2 + (\log_a x)^3}$

সমাধান ঃ

a) $$\frac{d}{dx}\left\{x(1+x)^2\right\} = \frac{d}{dx}\left\{x\left(1+2x+x^2\right)\right\}$$

$$= \frac{d}{dx}\left(x + 2x^2 + x^3\right)$$

$$= \frac{d}{dx}(x) + 2\frac{d}{dx}\left(x^2\right) + \frac{d}{dx}\left(x^3\right)$$

$$= 1 + 2(2x) + 3x^2$$

$$= 1 + 4x + 3x^2$$

b) $$\frac{d}{dx}\left(b\log_e x + x^3 + \sqrt{x}\right) = b\frac{d}{dx}\left(\log_e x\right) + \frac{d}{dx}\left(x^3\right) + \frac{d}{dx}\left(x^{\frac{1}{2}}\right)$$

$$= b.\frac{1}{x} + 3x^2 + \frac{1}{2}x^{\frac{1}{2}-1}$$

$$= \frac{b}{x} + 3x^2 + \frac{1}{2\sqrt{x}}$$

c) $$\frac{d}{dx}\left(4\log_{10} x\right) = \frac{d}{dx}\left(\frac{4\log_e x}{\log_e 10}\right)$$

$$= \frac{4}{\log_e 10}\frac{d}{dx}\left(\log_e x\right)$$

$$= 4\log_{10} e\,\frac{1}{x}$$

$$= \frac{4\log_{10} e}{x}$$

d) $\frac{d}{dx}\sqrt[3]{1+3\log_a x+3\left(\log_a x\right)^2+\left(\log_a x\right)^3} = \frac{d}{dx}\left\{\left(1+\log_a x\right)^3\right\}^{\frac{1}{3}}$

$= \frac{d}{dx}\left\{1+\frac{\log_e x}{\log_e a}\right\} = \frac{d}{dx}(1)+\frac{1}{\log_e a}\frac{d}{dx}\left(\log_e x\right)$

$= 0+\frac{1}{\log_e a}.\frac{1}{x} = \frac{1}{x}\log_a e$

উদাহৰণ 2: অধোলিখিত yবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $y = \frac{9}{\sin x} - 3\cot x + a^x$ b) $y = \tan x - e^x + 4$

c) $y = 3\log x + x^7 - 4\sec x$

সমাধান ঃ

a) $y = \frac{9}{\sin x} - 3\cot x + a^x$

$\therefore \frac{dy}{dx} = \frac{d}{dx}\left(\frac{9}{\sin x} - 3\cot x + a^x\right)$

$= 9\frac{d}{dx}(\operatorname{cosec} x) - 3\frac{d}{dx}(\cot x) + \frac{d}{dx}(a^x)$

$= 9(-\operatorname{cosec} x.\cot x) - 3(-\operatorname{cosec}^2 x) + a^x \log_e a$

$= -9\operatorname{cosec} x.\cot x + 3\operatorname{cosec}^2 x + a^x \log_e a$

b) $y = \tan x - e^x + 4$

$\therefore \frac{dy}{dx} = \frac{d}{dx}\left(\tan x - e^x + 4\right)$

$= \frac{d}{dx}(\tan x) - \frac{d}{dx}\left(e^x\right) + \frac{d}{dx}(4)$

$= \sec^2 x - e^x$

c) $y = 3\log x + x^7 - 4\sec x$

$\therefore \frac{dy}{dx} = \frac{d}{dx}\left(3\log x + x^7 - 4\sec x\right)$

$= 3\frac{d}{dx}(\log x) + \frac{d}{dx}\left(x^7\right) - 4\frac{d}{dx}(\sec x)$

$= \frac{3}{x} + 7x^6 - 4\sec x \tan x$

উদাহৰণ 3: $y = x^2 - 3x$ বক্ৰৰ কোণ বিন্দুত স্পৰ্শকডাল x-অক্ষৰ সমান্তৰাল নিৰ্ণয় কৰক।

সমাধান ঃ দিয়া আছে, $y = x^2 - 3x$

$$\therefore \frac{dy}{dx} = \frac{d}{dx}\left(x^3 + 2x\right) = 2x - 3$$

স্পৰ্শক x-অক্ষৰ সমান্তৰাল হ'লে,

$$\frac{dy}{dx} = 0 \Rightarrow 2x - 3 = 0 \Rightarrow x = \frac{3}{2}$$

$$\therefore y = \left(\frac{3}{2}\right)^2 - 3\left(\frac{3}{2}\right) = \frac{9}{4} - \frac{9}{2} = \frac{-9}{4}$$

$\therefore$ বিন্দুটো হ'ল $\left(\frac{3}{2}, \frac{-9}{4}\right)$



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ তলৰ ফলনবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $\frac{x^3 + x^2 - x + 2}{x}$ b) $\sin x + e^x - \frac{1}{x^4}$

c) $\text{cosec}\, x + a^x$ d) $\left(\sqrt{x} + \frac{1}{\sqrt{x}}\right)^2 + 2$

e) $\log(a^2 x^3 e^x)$ f) $3\sin^{-1}x + \cos x - a^x + 1$

প্ৰশ্ন ২ ঃ প্ৰমাণ কৰক যে $y = x^3 + 2x$ বক্ৰৰ কোনো স্পৰ্শক x-অক্ষৰ সমান্তৰাল নহয়।

৫.৬ ফলনৰ পূৰণফলৰ অৱকলজ আৰু ভাগফল বিধি

উপপাদ্য ৫.৬.১: ধৰা হ'ল, u(x) আৰু v(x) দুটা অৱকলনীয় ফলন। তেনেহ'লে u(x) v(x) পূৰণফলো অৱকলনীয় আৰু

$$\frac{d}{dx}\left(u(x)v(x)\right) = u(x)v'(x) + v(x)u'(x)$$

প্ৰমাণ ঃ ধৰা হ'ল, আদি ক্ষেত্ৰত x এটা বিন্দু আৰু x + h এটা অতি ওচৰৰ বিন্দু।

ধৰা হ'ল, $f(x) = u(x)v(x)$

$\therefore f(x+h) = u(x+h)v(x+h)$

$\therefore f(x+h) - f(x) = u(x+h)v(x+h) - u(x)v(x)$

$= u(x+h)v(x+h) - u(x+h)v(x) + u(x+h)v(x) - u(x)v(x)$

$= u(x+h)\{v(x+h) - v(x)\} + v(x)\{u(x+h) - u(x)\}$

$\therefore \frac{f(x+h)-f(x)}{h} = u(x+h).\frac{v(x+h)-v(x)}{h} + v(x)\frac{u(x+h)-u(x)}{h}$

$\therefore \lim_{h\to 0} \frac{f(x+h)-f(x)}{h}$

$= \lim_{h\to 0} u(x+h).\lim_{h\to 0} \frac{v(x+h)-v(x)}{h} + v(x)\lim_{h\to 0} \frac{u(x+h)-u(x)}{h}$

$= u(x).\lim_{h\to 0} \frac{v(x+h)-v(x)}{h} + v(x).\lim_{h\to 0} \frac{u(x+h)-u(x)}{h}$ .....(1)

$\because$ u আৰু v অৱকলনীয়।

$\therefore u'(x) = \lim_{h\to 0} \frac{u(x+h)-u(x)}{h}$ আৰু $v'(x) = \lim_{h\to 0} \frac{v(x+h)-v(x)}{h}$

$\therefore$ গতিকে, (1)-ৰ পৰা $\Rightarrow \lim_{h\to 0} \frac{f(x+h)-f(x)}{h} = u(x)v'(x) + v(x)u'(x)$

গতিকে, f অৱকলনীয় আৰু

$f'(x) = u(x)v'(x) + v(x)u'(x)$

অর্থাৎ, $\frac{d}{dx}(f(x)) = u(x)v'(x) + v(x)u'(x)$

অর্থাৎ, $\frac{d}{dx}u(x)v(x) = u(x)v'(x) + v(x)u'(x)$.

অনুসিদ্ধান্ত ঃ যদি u, v, w তিনিটা অৱকলনীয় ফলন, তেনেহ'লে,

$\frac{d}{dx}(u(x)v(x)w(x)) = u'(x)v(x)w(x) + v'(x)u(x)w(x) + w'(x)u(x)v(x)$

উপপাদ্য ৫.৬.২: ধৰা হ'ল, u(x) আৰু v(x) দুটা অৱকলনীয় ফলন। তেনেহ'লে

ভাগফল ফলন $\frac{u(x)}{v(x)}$ও অৱকলনীয় আৰু

$$\frac{d}{dx}\left(\frac{u(x)}{v(x)}\right) = \frac{v(x)\frac{d}{dx}(u(x)) - u(x)\frac{d}{dx}(v(x))}{(v(x))^2}$$

$$= \frac{v(x)u'(x) - u(x)v'(x)}{(v(x))^2}$$

প্রমাণ ঃ ধৰা হ'ল, $f(x) = \frac{u(x)}{v(x)}$

$\therefore f(x+h) = \frac{u(x+h)}{v(x+h)}$

$$\therefore f(x+h)-f(x)=\frac{u(x+h)}{v(x+h)}-\frac{u(x)}{v(x)}$$

$$=\frac{v(x)u(x+h)-u(x)v(x+h)}{v(x+h)v(x)}$$

$$\Rightarrow \frac{f(x+h)-f(x)}{h}=\frac{v(x)u(x+h)-v(x)u(x)+v(x)u(x)-u(x)v(x+h)}{h.v(x+h)v(x)}$$

$$=\frac{v(x)\left[u(x+h)-u(x)\right]+u(x)\left[v(x)-v(x+h)\right]}{h.v(x+h)v(x)}$$

$$=\frac{v(x).\dfrac{\left[u(x+h)-u(x)\right]}{h}-u(x)\dfrac{\left[v(x+h)-v(x)\right]}{h}}{v(x+h)v(x)}$$

$$\therefore \lim_{h\to 0}\frac{f(x+h)-f(x)}{h}$$

$$=\frac{v(x).\lim\limits_{h\to 0}\dfrac{u(x+h)-u(x)}{h}-u(x).\lim\limits_{h\to 0}\dfrac{v(x+h)-v(x)}{h}}{v(x).v(x)} \quad .....(1)$$

$\because$ u(x) আৰু v(x) অৱকলনীয়।

$$\therefore u'(x)=\lim_{h\to 0}\frac{u(x+h)-u(x)}{h}$$

$$\text{আৰু } v'(x)=\lim_{h\to 0}\frac{v(x+h)-v(x)}{h}$$

$$\therefore (1)\text{-ৰ পৰা} \Rightarrow \lim_{h\to 0}\frac{f(x+h)-f(x)}{h}=\frac{v(x)u'(x)-u(x)v'(x)}{\{v(x)\}^2}$$

অর্থাৎ, xত f(x) অৱকলনীয় আৰু

$$f'(x)=\frac{v(x)u'(x)-u(x)v'(x)}{\{v(x)\}^2}$$

$$\text{অর্থাৎ, } \frac{d}{dx}(f(x))=\frac{v(x)u'(x)-u(x)v'(x)}{\{v(x)\}^2}$$

$$\text{অর্থাৎ, } \frac{d}{dx}\left(\frac{u(x)}{v(x)}\right)=\frac{v(x)u'(x)-u(x)v'(x)}{(v(x))^2}$$

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: অধোলিখিত ফলনবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) x^2e^x b) $e^x\log x$ c) $x^3e^x\sin x$

সমাধান ঃ

a) $\frac{d}{dx}\left(x^2e^x\right) = e^x\frac{d}{dx}\left(x^2\right) + x^2\frac{d}{dx}\left(e^x\right)$

$= e^x.2x + x^2.e^x$

$= xe^x(2+x)$

b) $\frac{d}{dx}\left(e^x\log x\right) = \log x\frac{d}{dx}\left(e^x\right) + e^x\frac{d}{dx}\left(\log x\right)$

$= \log x.e^x + e^x.\frac{1}{x}$

$= e^x\left(\log x + \frac{1}{x}\right)$

c) $\frac{d}{dx}\left(x^3e^x\sin x\right) = e^x\sin x\frac{d}{dx}\left(x^3\right) + x^3\sin x\frac{d}{dx}\left(e^x\right) + x^3e^x\frac{d}{dx}\left(\sin x\right)$

$= e^x\sin x.3x^2 + x^3\sin x.e^x + x^3e^x\cos x$

$= x^2e^x(3\sin x + x\sin x + x\cos x)$

উদাহৰণ 2: অধোলিখিত ফলনবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $\frac{\cos x}{\log_a x}$ b) $\frac{x^n}{\log_e x}$ c) $\frac{x^2}{e^x}$

সমাধান ঃ a) $\frac{d}{dx}\left(\frac{\cos x}{\log_a x}\right) = \frac{\log_a x\frac{d}{dx}(\cos x) - \cos x\frac{d}{dx}\left(\log_a x\right)}{\left(\log_a x\right)^2}$

$= \frac{\log_a x(-\sin x) - \cos x.\frac{d}{dx}\left(\frac{\log_e x}{\log_e a}\right)}{\left(\log_a x\right)^2}$

$= \frac{-\sin x\log_a x - \cos x.\frac{1}{\log_e a}.\frac{1}{x}}{\left(\log_a x\right)^2}$

$= \frac{-\sin x\log_a x - \cos x\log_a e}{x\left(\log_a x\right)^2}$

b) $$\frac{d}{dx}\left(\frac{x^n}{\log_e x}\right)=\frac{\log_e x\frac{d}{dx}\left(x^n\right)-x^n\frac{d}{dx}\left(\log_e x\right)}{\left(\log_e x\right)^2}$$

$$=\frac{\log_e x.nx^{n-1}-x^n.\frac{1}{x}}{\left(\log_e x\right)^2}$$

$$=\frac{nx^{n-1}\log_e x-x^{n-1}}{\left(\log_e x\right)^2}$$

c) $$\frac{d}{dx}\left(\frac{x^2}{e^x}\right)=\frac{e^x\frac{d}{dx}\left(x^2\right)-x^2\frac{d}{dx}\left(e^x\right)}{\left(e^x\right)^2}$$

$$=\frac{e^x.2x-x^2.e^x}{\left(e^x\right)^2}$$

$$=\frac{xe^x(2-x)}{\left(e^x\right)^2}=\frac{x(2-x)}{e^x}$$

উদাহৰণ 3: অধোলিখিত ফলনবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $3x^2+x^3\log x$ b) $\frac{x^2+x-1}{x^2-x+1}$

c) $\frac{\sec x}{x+e^x}$ d) $x^3\sin x+\frac{e^x+1}{\log x}$

সমাধান ঃ a) $\frac{d}{dx}(3x^2+x^3\log x)=\frac{d}{dx}(3x^2)+\frac{d}{dx}(x^3\log x)$

$$=3\frac{d}{dx}(x^2)+\log x\frac{d}{dx}(x^3)+\frac{d}{dx}x^3(\log x)$$

$$=3(2x)+\log x(3x^2)+x^3.\frac{1}{x}$$

$$=6x+3x^2\log x+x^2$$

b) $$\frac{d}{dx}\left(\frac{x^2+x-1}{x^2-x+1}\right)$$

$$=\frac{\left(x^2-x+1\right)\frac{d}{dx}\left(x^2+x-1\right)-\left(x^2+x-1\right)\frac{d}{dx}\left(x^2-x+1\right)}{\left(x^2-x+1\right)^2}$$

$$= \frac{(x^2-x+1)(2x+1)-(x^2+x-1)(2x-1)}{(x^2-x+1)^2}$$

$$= \frac{2x^3-2x^2+2x+x^2-x+1-2x^3-2x^2+2x-x^2-x+1}{(x^2-x+1)^2}$$

$$= \frac{-4x^2+2x+2}{(x^2-x+1)^2}$$

c) $\frac{d}{dx}\left(\frac{\sec x}{x+e^x}\right) = \frac{(x+e^x)\frac{d}{dx}(\sec x)-\sec x\frac{d}{dx}(x+e^x)}{(x+e^x)^2}$

$$= \frac{(x+e^x).\sec x\tan x-\sec x(1+e^x)}{(x+e^x)^2}$$

$$= \frac{\sec x\{(x+e^x)\tan x-1-e^x\}}{(x+e^x)^2}$$

d) $\frac{d}{dx}\left(x^3\sin x+\frac{e^x+1}{\log x}\right)$

$$= \frac{d}{dx}(x^3\sin x)+\frac{d}{dx}\left(\frac{e^x+1}{\log x}\right)$$

$$= \sin x\frac{d}{dx}(x^3)+x^3\frac{d}{dx}\sin x+\frac{\log x\frac{d}{dx}(e^x+1)-(e^x+1)\frac{d}{dx}(\log x)}{(\log x)^2}$$

$$= \sin x.3x^2 + x^3.\cos x + \frac{\log x.(e^x+0)-(e^x+1).\frac{1}{x}}{(\log x)^2}$$

$$= x^2(3\sin x + x\cos x) + \frac{e^x(x\log x)-e^x-1}{x(\log x)^2}$$

উদাহৰণ 4: যদি $y=\frac{x}{x+5}$, প্ৰমাণ কৰক যে $x\frac{dy}{dx}=y(1-y)$

সমাধান ঃ দিয়া আছে, $y=\frac{x}{x+5}$

$$\Rightarrow \frac{dy}{dx}=\frac{d}{dx}\left(\frac{x}{x+5}\right) = \frac{(x+5)\frac{d}{dx}(x)-x\frac{d}{dx}(x+5)}{(x+5)^2}$$

$$= \frac{(x+5).1-x(1+0)}{(x+5)^2}$$

$$= \frac{x+5-x}{(x+5)^2}$$

$$\therefore x\frac{dy}{dx} = \frac{5x}{(x+5)^2} \quad \text{.....(1)}$$

আকৌ, $y\,(1-y) = \frac{x}{x+5}\left(1-\frac{x}{x+5}\right)$

$$= \frac{x}{x+5}.\frac{x+5-x}{x+5}$$

$$= \frac{5x}{(x+5)^2} \quad \text{.....(2)}$$

(1) আৰু (2)-ৰ পৰা আমি পালোঁ $x\frac{dy}{dx} = y(1-y)$



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ অধোলিখিত ফলনবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $\frac{2x+3}{3x+4}$ b) $\frac{1+\tan x}{1-\tan x}$ c) $\frac{x}{a^2+x^2}$

d) $7xa^x + \log x^x$ e) $3\log x \tan x - x^3e^x+2$

f) $\frac{\sqrt{a}+\sqrt{x}}{\sqrt{a}-\sqrt{x}}$ g) $\log\,(x^3\,e^{4x}\,a^x)$

প্ৰশ্ন ৪ ঃ যদি $y = \frac{\sin x}{1+\cos x}$, প্ৰমাণ কৰক যে $\frac{dy}{dx} = \frac{1}{1+\cos x}$

প্ৰশ্ন ৫ ঃ যদি $f(x) = \frac{x-2}{2\sqrt{x}}$, $f'(4)$ উলিয়াওক।



৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- কোনো বক্ৰ $y = f(x)$-ৰ এটা বিন্দুত $\frac{dy}{dx}$ এ সেই বিন্দুত টনা স্পৰ্শকৰ প্ৰৱণতা বুজায়।
- x-অক্ষৰ সমান্তৰাল স্পৰ্শকৰ বাবে, $\frac{dy}{dx} = 0$.

- বিভিন্ন প্ৰামাণিক ফলনৰ অৱকলজ ঃ

$$\frac{d}{dx}(k) = 0 \quad (k = \text{ধ্ৰুৱক})$$

$$\frac{d}{dx}(x^n) = nx^{n-1}$$

$$\frac{d}{dx}(e^x) = e^x$$

$$\frac{d}{dx}(\log x) = \frac{1}{x}$$

$$\frac{d}{dx}(a^x) = a^x \log_e a$$

$$\frac{d}{dx}(\sin x) = \cos x$$

$$\frac{d}{dx}(\cos x) = -\sin x$$

$$\frac{d}{dx}(\tan x) = \sec^2 x$$

$$\frac{d}{dx}(\cot x) = -\operatorname{cosec}^2 x$$

$$\frac{d}{dx}(\sec x) = \sec x.\tan x$$

$$\frac{d}{dx}(\operatorname{cosec} x) = -\operatorname{cosec} x.\cot x$$

$$\frac{d}{dx}(\sin^{-1} x) = \frac{1}{\sqrt{1-x^2}}; -1 < x < 1$$

$$\frac{d}{dx}(\cos^{-1} x) = \frac{-1}{\sqrt{1-x^2}}; -1 < x < 1$$

$$\frac{d}{dx}(\tan^{-1} x) = \frac{1}{1+x^2}; x \in \Re$$

$$\frac{d}{dx}(\cot^{-1} x) = \frac{-1}{1+x^2}; x \in \Re$$

$$\frac{d}{dx}(\sec^{-1} x) = \frac{1}{|x|\sqrt{x^2-1}}; |x| > 1$$

$$\frac{d}{dx}(\operatorname{cosec}^{-1} x) = \frac{-1}{|x|\sqrt{x^2-1}}; |x| > 1$$

- $\frac{d}{dx}(f_1 \pm f_2) = \frac{df_1}{dx} \pm \frac{df_2}{dx}$
- $\frac{d}{dx}(uv) = v.\frac{du}{dx} + u.\frac{dv}{dx}$
- $\frac{d}{dx}\left(\frac{u}{v}\right) = \frac{v.\frac{du}{dx} + u.\frac{dv}{dx}}{v^2}, v \neq 0$



৫.৮ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ a) $\frac{d}{dx}\left(\frac{x^3 + x^2 + x + 2}{x}\right)$

$= \frac{d}{dx}\left(\frac{x^3}{x} + \frac{x^2}{x} + \frac{x}{x} + \frac{2}{x}\right)$

$= \frac{d}{dx}(x^2) + \frac{d}{dx}(x) - \frac{d}{dx}(1) + 2\frac{d}{dx}(x^{-1})$

$= 2x + 1 - 0 + 2(-1)x^{-2}$

$= 2x + 1 - \frac{2}{x^2}$

b) $\frac{d}{dx}\left(\sin x + e^x - \frac{1}{x^4}\right) = \frac{d}{dx}(\sin x) + \frac{d}{dx}(e^x) - \frac{d}{dx}(x^{-4})$

$= \cos x + e^x - (-4)x^{-4-1}$

$= \cos x + e^x + \frac{4}{x^5}$

c) $\frac{d}{dx}(\operatorname{cosec} x + a^x) = \frac{d}{dx}(\operatorname{cosec} x) + \frac{d}{dx}(a^x)$

$= -\operatorname{cosec} x \cot x + a^x \log_e a$

d) $\frac{d}{dx}\left\{\left(\sqrt{x} + \frac{1}{\sqrt{x}}\right)^2 + 2\right\} = \frac{d}{dx}\left(x + \frac{1}{x} + 2 + 2\right)$

$= \frac{d}{dx}(x) + \frac{d}{dx}(x^{-1}) + \frac{d}{dx}(4)$

$= 1 + (-1)x^{-1-1} + 0$

$= 1 - \frac{1}{x^2}$

e) $\frac{d}{dx}\{\log(a^2x^3e^x)\} = \frac{d}{dx}(\log a^2 + \log x^3 + \log e^x)$

$= \frac{d}{dx}(2\log a + 3\log x + x\log e)$

$= \frac{d}{dx}(2\log a) + 3\frac{d}{dx}(\log x) + \frac{d}{dx}(x) \quad (\because \log e = 1)$

$= 0 + \frac{3}{x} + 1 = 1 + \frac{3}{x}$

f) $\frac{d}{dx}(3\sin^{-1}x + \cos x - a^x + 1)$

$= 3\frac{d}{dx}(\sin^{-1}x) + \frac{d}{dx}(\cos x) - \frac{d}{dx}(a^x) + \frac{d}{dx}(1)$

$= \frac{3}{\sqrt{1-x^2}} + (-\sin x) - a^x\log a + 0$

$= \frac{3}{\sqrt{1-x^2}} - \sin x - ax\log a$

২নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $y = x^3 + 2x$

$\therefore \frac{dy}{dx} = \frac{d}{dx}(x^3 + 2x)$

$= \frac{d}{dx}(x^3) + 2\frac{d}{dx}(x)$

$= 3x^2 + 2$

$\neq 0$ for $x \in \Re$

$\therefore$ x-ৰ কোনো মান নাই যাৰ বাবে $\frac{dy}{dx} = 0$

$\therefore$ $y = x^3 + 2x$ বক্ৰৰ কোনো স্পৰ্শক x-অক্ষৰ সমান্তৰাল হ'ব নোৱাৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ a) $\frac{d}{dx}\left(\frac{2x+3}{3x+4}\right) = \frac{(3x+4)\frac{d}{dx}(2x+3) - (2x+3)\frac{d}{dx}(3x+4)}{(3x+4)^2}$

$= \frac{(3x+4)(2+0) - (2x+3)(3+0)}{(3x+4)^2}$

$= \frac{(6x+8) - (6x+9)}{(3x+4)^2}$

$= \frac{-1}{(3x+4)^2}$

b) $\frac{d}{dx}\left(\frac{1+\tan x}{1-\tan x}\right)=\frac{(1-\tan x)\frac{d}{dx}(1+\tan x)-(1+\tan x)\frac{d}{dx}(1-\tan x)}{(1-\tan x)^2}$

$$=\frac{(1-\tan x)(\sec^2 x)-(1+\tan x)(-\sec^2 x)}{(1-\tan x)^2}$$

$$=\frac{\sec^2 x(1-\tan x+1+\tan x)}{(1-\tan x)^2}$$

$$=\frac{2\sec^2 x}{(1-\tan x)^2}$$

c) $\frac{d}{dx}\left(\frac{x}{a^2+x^2}\right)=\frac{(a^2+x^2)\frac{d}{dx}(x)-x\frac{d}{dx}(a^2+x^2)}{(a^2+x^2)^2}$

$$=\frac{(a^2+x^2).1-x(2x)}{(a^2+x^2)^2}$$

$$=\frac{a^2+x^2-2x^2}{(a^2+x^2)^2}$$

$$=\frac{a^2-x^2}{(a^2+x^2)^2}$$

d) $\frac{d}{dx}(7xa^x+\log x^x)=\frac{d}{dx}(7xa^x+x\log x)$

$$=7\frac{d}{dx}(xa^x)+\frac{d}{dx}(x\log x)$$

$$=7\left[a^x\frac{d}{dx}(x)+x\frac{d}{dx}(a^x)\right]+\left[\log x\frac{d}{dx}(x)+x\frac{d}{dx}(\log x)\right]$$

$$=7\left[a^x.1+x.a^x\log_e a\right]+\left[\log x.1+x.\frac{1}{x}\right]$$

$$=7a^x(1+x\log_e a)+\log x+1$$

e) $\frac{d}{dx}\left[3\log x\tan x-x^3e^x+2\right]$

$$=3\frac{d}{dx}(\log x\tan x)-\frac{d}{dx}(x^3e^x)+\frac{d}{dx}(2)$$

$$=3\left[\tan x\frac{d}{dx}(\log x)+\log x\frac{d}{dx}(\tan x)\right]-\left[e^x\frac{d}{dx}(x^3)+x^3\frac{d}{dx}(e^x)\right]+0$$

$$= 3\left[\tan x.\frac{1}{x} + \log x.\sec^2 x\right] - \left[e^x.3x^2 + x^3.e^x\right]$$

$$= 3\left[\frac{\tan x}{x} + \log x \sec^2 x\right] - x^2e^x[3 + x]$$

f) $$\frac{d}{dx}\left[\frac{\sqrt{a}+\sqrt{x}}{\sqrt{a}-\sqrt{x}}\right] = \frac{\left(\sqrt{a}-\sqrt{x}\right)\frac{d}{dx}\left(\sqrt{a}+\sqrt{x}\right) - \left(\sqrt{a}+\sqrt{x}\right)\frac{d}{dx}\left(\sqrt{a}-\sqrt{x}\right)}{\left(\sqrt{a}-\sqrt{x}\right)^2}$$

$$= \frac{\left(\sqrt{a}-\sqrt{x}\right)\left(0+\frac{1}{2\sqrt{x}}\right) - \left(\sqrt{a}+\sqrt{x}\right)\left(0-\frac{1}{2\sqrt{x}}\right)}{\left(\sqrt{a}-\sqrt{x}\right)^2}$$

$$= \frac{\frac{1}{2\sqrt{x}}\left(\sqrt{a}-\sqrt{x}+\sqrt{a}+\sqrt{x}\right)}{\left(\sqrt{a}-\sqrt{x}\right)^2}$$

$$= \frac{2\sqrt{a}}{2\sqrt{x}\left(\sqrt{a}-\sqrt{x}\right)^2}$$

$$= \frac{\sqrt{a}}{\sqrt{x}\left(\sqrt{a}-\sqrt{x}\right)^2}$$

g) $$\frac{d}{dx}\left[\log\left(x^3e^{4x}a^x\right)\right] = \frac{d}{dx}\left[\log x^3 + \log e^{4x} + \log a^x\right]$$

$$= \frac{d}{dx}\left[3\log x + 4x\log e + x\log a\right]$$

$$= 3\frac{d}{dx}(\log x) + 4\frac{d}{dx}(x) + \log a\frac{d}{dx}(x)\left[\because \log e = 1\right]$$

$$= \frac{3}{x} + 4 + \log a$$

৪নং প্ৰশ্নৰ উত্তৰ ঃ $y = \frac{\sin x}{1+\cos x}$ $\therefore \frac{dy}{dx} = \frac{d}{dx}\left(\frac{\sin x}{1+\cos x}\right)$

$$= \frac{(1+\cos x)\frac{d}{dx}(\sin x) - \sin x\frac{d}{dx}(1+\cos x)}{(1+\cos x)^2}$$

$$= \frac{(1+\cos x)(\cos x) - \sin x(-\sin x)}{(1+\cos x)^2}$$

$$= \frac{\cos x + \cos^2 x + \sin^2 x}{(1+\cos x)^2}$$

$$= \frac{\cos x + 1}{(1+\cos x)^2}$$

$$= \frac{1}{1+\cos x}$$

৫নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x) = \frac{x-2}{2\sqrt{x}}$

$$= \frac{\sqrt{x}}{2} - \frac{1}{\sqrt{x}}$$

$$\therefore f'(x) = \frac{d}{dx}\left(\frac{\sqrt{x}}{2} - \frac{1}{\sqrt{x}}\right)$$

$$= \frac{1}{2}\frac{d}{dx}\left(x^{\frac{1}{2}}\right) - \frac{d}{dx}\left(x^{-\frac{1}{2}}\right)$$

$$= \frac{1}{2}\cdot\frac{1}{2}x^{\frac{1}{2}-1} - \left(-\frac{1}{2}x^{-\frac{1}{2}-1}\right)$$

$$= \frac{1}{4\sqrt{x}} + \frac{1}{2x\sqrt{x}}$$

$$\therefore f'(4) = \frac{1}{4(2)} + \frac{1}{2(4)(2)}$$

$$= \frac{1}{8} + \frac{1}{16}$$

$$= \frac{3}{16}$$



৫.৯ অধিক জানিবলৈ

1) Gupta, Sudhir (2011) (1st edition): *Basics of Differentential Calculus*; New Delhi: Anmol publication Pvt. Ltd.

2) Habib, Amber (2011) (1st edition): *The Calculus of Finance*; Hyderabad: Universities Press India Pvt. Ltd.

3) Maron, I. A. (1993) (1st edition): *Problems in Calculus of One Variable*; New Delhi: CBS Publishers & Distributors Pvt. Ltd.

4) Sharma, A. K. (2004) (1st edition): *Text Book of Differential Calculus for B.A., B.Sc., B.Com., I.A.S., P.C.S.*; New Delhi: Discovery Publishing House.



৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অধোলিখিতবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $\frac{1}{3x+5}$ b) $\sqrt{ax+b}$ c) $\sqrt{\sec x}$

d) $\sqrt{\log x}$ (e) $\frac{x^4+8x+5}{x}$

f) $2e^{3x}+\tan x-\cos 2x+9\sin^{-1}x$ g) $\left(\sqrt{x}+1\right)\left(\frac{1}{x}+\frac{1}{\sqrt{x}}\right)$

প্ৰশ্ন ২ ঃ অধোলিখিতবোৰৰ x সাপেক্ষে অৱকল গুণাঙ্ক উলিয়াওক।

a) $\frac{1-x^2}{1+x^2}$ b) $\frac{1-\cos x}{1+\cos x}$

c) $\frac{\sin x+\cos x}{\sin x-\cos x}$ d) $\frac{a+b\cos x}{a-b\cos x}$

প্ৰশ্ন ৩ ঃ যদি $y=1+\frac{x}{1!}+\frac{x^2}{2!}+\frac{x^3}{3!}+\cdots$, প্ৰমাণ কৰক যে $\frac{dy}{dx}=y$.

প্ৰশ্ন ৪ ঃ x সাপেক্ষে $y=\cos x\log x+e^x\operatorname{cosec} x$-ৰ অৱকল সহগ উলিয়াওক।

প্ৰশ্ন ৫ ঃ x সাপেক্ষে $y=\frac{e^x\log x}{\sin x+\cos x}$ -ৰ অৱকল সহগ উলিয়াওক।

*** ***** ***

অধ্যায় ৬ ঃ কিছুমান বিশেষ ফলনৰ অৱকলজ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ সংযুক্ত ফলনৰ অৱকলজ
৬.৪ ঘাতাঙ্কীয় ফলন আৰু অন্তর্নিহিত ফলনৰ অৱকলজ
৬.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৬.৬ অগ্রগতিৰ খতিয়ান
৬.৭ অধিক জানিবলৈ
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- সংযুক্ত ফলনৰ (ফলনৰ ফলন) অৱকলজ উলিয়াব পাৰিব
- অন্তর্নিহিত ফলনৰ অৱকলজ উলিয়াব পাৰিব
- আন এটা ফলন সাপেক্ষে এটা নির্দিষ্ট ফলনৰ অৱকলজ উলিয়াব পাৰিব।

৬.২ পৰিচয়

আমি ইতিমধ্যে পঞ্চম অধ্যায়ত ফলনৰ অৱকলজৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়ত আমি সংযুক্ত ফলনৰ,অৱকলজ ঘাতাঙ্কীয় ফলনৰ অৱকলজ, অন্তর্নিহিত ফলনৰ অৱকলজ আৰু আন এটা ফলন সাপেক্ষে এটা নির্দিষ্ট ফলনৰ অৱকলজৰ বিষয়ে আলোচনা কৰিম।

৬.৩ সংযুক্ত ফলনৰ অৱকলজ

যদি $y = \phi(t)$ আৰু $t = f(x)$, তেনেহ'লে $y = \phi(f(x))$ এটা সংযুক্ত ফলন (Composite Function)।সংযুক্ত ফলনৰ কেইটামান উদাহৰণ হ'ল $\cos 2x$, $\sin x^2$, $\log \cos x$, $e^{\sin x}$ ইত্যাদি।

উপপাদ্য ৬.৩.১: ধৰা হ'ল $y = \phi(t)$ য'ত $t = f(x)$. তেনেহ'লে $\frac{dy}{dx} = \frac{dy}{dt} \cdot \frac{dt}{dx}$

প্রমাণ ঃ ধৰা হ'ল x-ৰ বৃদ্ধি h অনুৰূপে t-ৰ বৃদ্ধি k.

$\because t = f(x)$ .....(1)

$\therefore t + k = f(x + h)$ .....(2)

(2) – (1) $\Rightarrow$ k = f(x+h) – f(x) .....(3)

আকৌ, $h \to 0$ gives $t+k \to t$ or $k \to 0$

এতিয়া, $\phi(f(x)) = \phi(t) \Rightarrow \phi(f(x+h)) = \phi(t+k)$

$\therefore \phi(f(x+h)) - \phi(f(x)) = \phi(t+k) - \phi(t)$

$$\Rightarrow \frac{\phi(f(x+h)) - \phi(f(x))}{h} = \frac{\phi(t+k) - \phi(t)}{k} \cdot \frac{k}{h}$$

$$= \frac{\phi(t+k) - \phi(t)}{k} \cdot \frac{f(x+h) - f(x)}{h}, \text{ (3)-ৰ পৰা}$$

উভয় পক্ষৰ সীমা লৈ আমি পাম

$$\lim_{h\to 0} \frac{\phi(f(x+h)) - \phi(f(x))}{h} = \lim_{h\to 0} \frac{\phi(t+k) - \phi(t)}{k} \cdot \lim_{h\to 0} \frac{f(x+h) - f(x)}{h}$$

$$\Rightarrow \frac{d}{dx}(\phi(f(x))) = \frac{d}{dt}(\phi(t)) \cdot \frac{d}{dx}(f(x))$$

$$\Rightarrow \frac{d}{dx}(\phi(t)) = \frac{d}{dt}(y) \cdot \frac{d}{dx}(t)$$

$$\Rightarrow \frac{dy}{dx} = \frac{dy}{dt} \cdot \frac{dt}{dx}$$

উপৰিউক্ত উপপাদ্যৰ সাধাৰণীকৰণ ঃ

ধৰা হ'ল, $y = f(u)$, $u = g(t)$, $t = h(x)$ তেনেহ'লে, $\frac{dy}{dx} = \frac{dy}{du} \cdot \frac{du}{dt} \cdot \frac{dt}{dx}$

অর্থাৎ, কেবাটাও ফলনৰ y এটা সংযুক্ত ফলন হ'লে,

গতিকে, $\frac{dy}{dx} = \frac{d(1^{st} \text{ফলন})}{d(2^{nd} \text{ফলন})} \cdot \frac{d(2^{nd} \text{ফলন})}{d(3^{rd} \text{ফলন})} \cdots \frac{d(\text{শেষ ফলন})}{dx}$

এইটোক শৃঙ্খল বিধি বুলিও কোৱা হয়।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: অধোলিখিত ফলনবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $\cos x^3$ b) $e^{\sin x^2}$ c) $\sec^3 3x$.

সমাধান ঃ a) ধৰা হ'ল, $t = x^3$ $\therefore \frac{dt}{dx} = 3x^2$

$$\therefore \frac{d}{dx}(\cos x^3) = \frac{d}{dx}(\cos t)$$

$$= \frac{d}{dt}(\cos t) \cdot \frac{dt}{dx}$$

$$= -\sin t . 3x^2 = -3x^2 \sin x^3$$

b) ধৰা হ'ল, $y = e^{\sin x^2}$

$= e^{\sin t}$, য'ত $t = x^2$

$= e^u$, য'ত $u = \sin t$

শৃঙ্খল বিধিৰ পৰা, $\frac{dy}{dx} = \frac{dy}{du}.\frac{du}{dt}.\frac{dt}{dx} = \frac{d}{du}(e^u)\frac{d}{dt}(\sin t).\frac{d}{dx}(x^2)$

$= e^u \cos t.2x$

$= 2xe^{\sin t}.\cos t$

$= 2xe^{\sin x^2}\cos x^2$

c) ধৰা হ'ল, $y = \sec^3 3x$

$= \sec^3 u$, য'ত $u = 3x$

$= t^3$, য'ত $t = \sec u$

শৃঙ্খল বিধিৰ পৰা, $\frac{dy}{dx} = \frac{dy}{dt}.\frac{dt}{du}.\frac{du}{dx} = \frac{d}{dt}(t^3).\frac{d}{du}(\sec u).\frac{d}{dx}(3x)$

$= 3t^2 \sec u \tan u.3$

$= 9\sec^2 u.\ \sec u \tan u$

$= 9\sec^3 3x \tan 3x.$

উদাহৰণ 2: অধোলিখিত ফলনবোৰৰ x সাপেক্ষে অৱকলজ উলিয়াওক।

a) $y = \log\left(\sqrt{x} + \frac{1}{\sqrt{x}}\right)$ b) $y = \log\log\log x^2$

c) $y = \cos^{-1} x^2$ d) $y = a\cot^{-1}(m\tan^{-1} bx)$

সমাধান ঃ a) ধৰা হ'ল, $t = \sqrt{x} + \frac{1}{\sqrt{x}}$ $\therefore y = \log t$

